অসম

ইণ্ডিয়ান অইল চার্ভো মাষ্টাৰছ গলফ্‌ত চেম্পিয়নৰ খিতাপ দখল ৰাউনিল কুকাৰৰ

প্ৰকাশ: ২১ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:১২



Bengaluru's Raunil Kooker won his maiden DP World PGTI title by two strokes at the IndianOil Servo Masters at Digboi Golf Links. (Bijoy Sutradhar)

ডিগবৈ গ'লফ্‌ লিংকছত অনুষ্ঠিত ২৬ সংখ্যক ইণ্ডিয়ান অইল চার্ভো মাষ্টাৰছ গ'ল্ফ প্ৰতিযোগিতাত বেংগালুৰুৰ ৰাউনিল কুকাৰে প্ৰথমবাৰৰ বাবে ডি পি ৱৰ্ল্ড পি জি টি আই চেম্পিয়নৰ খিতাপ দুটা ষ্ট্ৰ'কত জয়লাভ কৰে। এক কোটি টকাৰ প্ৰাইজমানিৰ ডিপি ৱৰ্ল্ড পিজিটিআইৰ ২০২৬-২০২৭ ছিজনৰ প্ৰথমটো ইভেণ্টত বেংগালুৰুৰ ৰনিল কুকাৰে (৭০-৬৫-৭০-৬৭) কাপুৰথালাৰ যুৱৰাজ সিং আৰু মহৌৰ ওম প্ৰকাশ চৌহানৰ সৈতে যৌথ অগ্ৰগতিৰে অন্তিম ৰাউণ্ড আৰম্ভ কৰে। অন্তিম ৰাউণ্ডত তেওঁ ৫ আণ্ডাৰ ৬৭ ৰান কৰি মুঠ ১৬ আণ্ডাৰ ২৭২ ৰান কৰি খিতাপ দখল কৰে। অংশুল কবথিয়ালে (৬৭-৭২-৭১-৬৪) প্ৰতিযোগিতাখনৰ শ্ৰেষ্ঠ ৰাউণ্ড কার্ড কৰি আঠ অণ্ডাৰ ৬৪ কার্ড কৰি ৰাণার্চ আপৰ খিতাপ দখল কৰিবলৈ সক্ষম হয়।২০২২ চনত ডিপি ৱৰ্ল্ড পিজিটিআইত যোগদান কৰা ৰনিল কুকাৰে অন্তিম ৰাউণ্ডত ৮টা বার্ডি আৰু ৩টা ব'গী ৰেকর্ড কৰে। ৰাউনিল কুকাৰে ১৫ লাখ টকাৰ প্ৰাইজমানি লাভেৰে ২০২৬-২০২৭ ছিজনৰ বাবে ডিপি ৱৰ্ল্ড পিজিটিআই ৰেংকিঙত শীৰ্ষ স্থান দখল কৰে।

ৰাউনিল কুকাৰে তেওঁৰ সফলতাৰ বাবে প্ৰশিক্ষক ৰাহুল বাজাজ, ইণ্ডিয়ান অইল আৰু ডি পি ৱৰ্ল্ড পি জি টি আইক ধন্যবাদ জ্ঞাপন কৰে। চণ্ডীগড়ৰ অক্ষয় শৰ্মাই (৭৫-৬৭-৬৬-৬৮) ১২ অণ্ডাৰ ২৭৬ ৰে তৃতীয় স্থান দখল কৰে।১২টা ডিপি বিশ্ব পিজিটিআই খিতাপ বিজয়ী তথা ২০২৩ চনৰ ছিজনৰ ৰেংকিং চেম্পিয়ন ওম প্ৰকাশ চৌহানে (৬৭-৬৮-৭০-৭২) ১১ অণ্ডাৰ ২৭৭ ৰে চতুৰ্থ স্থান দখল কৰে।যুৱৰাজ সিঙে (৬৮-৭০-৬৭-৭৩) আৰু বাংলাদেশৰ মহম্মদ ৰাজুৱে (৬৯-৭০-৬৮-৭১) ১০ অণ্ডাৰ ২৭৮ ৰান কৰি পঞ্চম স্থান দখল কৰে। উল্লেখ্য যে, ভাৰতীয় পেছাদাৰী গলফৰ ইতিহাসত ইণ্ডিয়ান অইল চাৰ্ভো মাষ্টাৰছ্ গলফ্ টুৰ্নামেন্ট খনে এক বিশেষ ইভেন্টৰ তাৎপৰ্য বহন কৰি আহিছে।

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/4882/indiyan-ail-sarbho-mastaros-goloft-sempiyonor-khitap-dokhol-raunil-kukaror